**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 16-06-2026**
**Time : 1910 PM**

# ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সৰ এভিয়ান চহৰত উপস্থিত হৈছে।

২। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে কাইলৈ নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচামুক্ত ভাৰত সপ্তাহ মুকলি কৰিব।

৩। মেঘালয়ৰ শ্বিলঙত আজি ৰাজ্যখনৰ প্ৰথমখন খেল সন্মিলন অনুষ্ঠিত হয়।

৪। ইৰাণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে যুদ্ধৰ অৱসান ঘটোৱাৰ চুক্তিৰ অংশ হিচাপে ইজৰাইলে লেবাননৰ পৰা পিচ হুহকি যাব লাগিব বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবলত আজি হ'বলগীয়া খেলত ফ্ৰান্স -ছেনেগালৰ আৰু ইৰাক-নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সত এভিয়ান চহৰত উপস্থিত হৈছে। এভিয়ানত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী সামাজিক মাধ্যমযোগে কয় যে তেওঁ বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলৰ সৈতে আলোচনা কৰিবলৈ আৰু গুৰুত্বপূৰ্ণ গোলকীয় বিষয় লৈ মত-বিনিময় কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে। তেওঁ কয় যে স্থায়ী আৰু সমৃদ্ধিশালী পৃথিৱী গঢ়াৰ বাবে সমূহীয়া প্ৰচেষ্টা আগবঢ়াই নিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ পূৰ্বে এভিয়ানলৈ যোৱাৰ পথত শ্ৰীমোদী ছুইজাৰলেণ্ডৰ জেনেভাত কিছু সময় কটায়। বিমান বন্দৰত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গায় পাৰ্মেলিনে তেওঁক আদৰণি জনায়। দুয়োগৰাকী নেতাই পৰস্পৰক সম্ভাষণ জনায়। চমু আলোচনাৰ অন্তত প্ৰধানমন্ত্ৰী মোদী জেনেভাৰ পৰা প্ৰায় ৪৫ কিলোমিটাৰ নিলগৰ এভিয়ানলৈ বুলি ৰাওনা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত এইবাৰ একেৰাহে সপ্তম বাৰ অংশগ্ৰহণ কৰিব আৰু ভাৰতে এইবাৰ এই মঞ্চত ত্ৰয়োদশ বাৰৰ বাবে ভাগ লয়। শীৰ্ষ সন্মিলনৰ ভাৰতৰ নিৰন্তৰ অংশগ্ৰহণে গুৰুত্বপূৰ্ণ গোলকীয় প্ৰত্যাহ্বান দূৰ কৰা আৰু শান্তি, সুৰক্ষা, বহনক্ষম উন্নয়ন তথা অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ বাবে চলোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টালৈ বৰঙণি আগবঢ়োৱাৰ দিশৰ পৰা ভাৰতৰ বৰ্ধিত ভূমিকাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিশ্বমঞ্চত গ্লোবেল ছাউথ অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে পিছপৰা ৰাষ্ট্ৰসমূহৰ উদ্বেগ উত্থাপন কৰাৰ সম্ভাৱনালৈ চাই এই শীৰ্ষ সন্মিলন ভাৰতৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই আজি সন্ধিয়া প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনাব। ইয়াৰ পাছতে শ্ৰীমোদীয়ে নতুন সহযোগিতা গঠন আৰু আন্তঃৰাষ্ট্ৰীয় সংহতিৰ পুনৰনিৰ্মাণ বিষয়ক এখন উচ্চ পৰ্যায়ৰ কাৰ্যকৰী বৈঠকত ভাগ ল'ব। এই বৈঠকত জি-ছেভেন সদস্য-ৰাষ্ট্ৰ, সহযোগী দেশৰ নেতা আৰু বিশ্ব বেংক তথা আফ্ৰিকীয় বিকাশ বেংকৰ জ্যেষ্ঠ প্ৰতিনিধিসকলে অংশ ল'ব।

সন্মিলনৰ আপাহতে শ্ৰী মোদীয়ে কানাডা, ব্ৰিটেইন আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ লোৱাৰ কথা আছে। ইয়াৰ পাছত তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে অতিথিসকলৰ সন্মানাৰ্থে আয়োজন কৰা নৈশ ভোজমেলত উপস্থিত থাকিব।

০০০০

বৃহৎ ঔদ্যোগিক দেশসমূহৰ জি-ছেভেন সদস্য-ৰাষ্ট্ৰৰ শীৰ্ষ সন্মিলনত আজি ৪ বছৰৰো অধিক সময় অব্যাহত থকা ইউক্ৰেইনৰ যুদ্ধৰ বিষয়টো সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ কাৰ্যসূচীত গুৰুত্ব দিয়াৰ বাবে কাম কৰে। আয়োজক দেশ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে কয় যে ইউক্ৰেইনক সমৰ্থন কৰাৰ আৰু এখন শান্তি চুক্তিত উপনীত হোৱাৰ বাবে ৰাছিয়াৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ বাবে তেওঁ ট্ৰাম্পক সৈমান কৰাব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনক সাহায্য দিয়া বন্ধ কৰাৰ পাছত ফ্ৰান্স আৰু ইউৰোপীয় সংঘই বৰ্তমান কীভক সামৰিক আৰু আৰ্থিক সহযোগিতা আগবঢ়াই আহিছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি আজি পুৱা জি-ছেভেন সদস্য-ৰাষ্ট্ৰৰ কাৰ্যকৰী বৈঠকত অংশগ্ৰহণ কৰে।

ইৰাণৰ বিৰুদ্ধে আমেৰিকাই চাৰে তিনি মাহৰ যুদ্ধৰ অৱসান ঘটোৱাৰ চুক্তি সম্পাদনৰ ঘোষণা কৰাৰ পাছত ইউক্ৰেইনৰ বিষয়টো উত্থাপন হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে তেওঁ এতিয়া ইউক্ৰেইনৰ বিষয়টোত মনোনিবেশ কৰিব আৰু দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰিব। তেওঁ লগতে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ প্ৰভাৱ আমেৰিকাতো পৰাৰ কথা উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰ কাইলৈ ভাৰ্চুৱেল ব্যৱস্থাৰে নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচামুক্ত ভাৰত সপ্তাহ মুকলি কৰিব। জনসাধাৰণৰ অংশগ্ৰহণ, স্বেচ্ছাসেৱকৰ সহযোগিতা বৃদ্ধি আৰু সমগ্ৰ দেশত নিচাৰ প্ৰতি আসক্তিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই উদ্যম গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে নিচামুক্তিৰ মিত্ৰৰ বাবে ব্যক্তিগত ডেচবোৰ্ড আৰু নিচামুক্তি ভাৰত অভিযান সম্পৰ্কীয় এখন ছুটি চলচ্চিত্ৰকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ উদ্যম মুকলি কৰিব। ড০ কুমাৰে কয় যে এসপ্তাহজোৰা অভিযানৰ সময়ত সমগ্ৰ দেশত সজাগতা সৃষ্টি আৰু সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত সমূহীয়া সংকল্প গ্ৰহণ, সজাগতামূলক শোভাযাত্ৰা, চাইকেল ৰেলী, যুৱক-যুৱতীৰ নেতৃত্বৰ অভিযান, পোষ্টাৰ অংকন, শ্লোগান আৰু ৰচনা প্ৰতিযোগিতা, ৱেবিনাৰ্ছ, বিশষজ্ঞৰ সৈতে মত-বিনিময় আৰু বাটৰ নাট অন্যতম।

০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৬ বৰ্ষত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধীনৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা বুলি সামাজিক মাধ্যমযোগে কৰা দাবী খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ তথ্য পৰীক্ষা গোটে এই দাবী ভুৱা বুলি অভিহিত কৰিছে। গোটটোৱে কয় যে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধীনৰ প্ৰশ্নকাকত সমগ্ৰ দেশৰ বচা বচা বিষয় বিশেষজ্ঞই প্ৰস্তুত কৰে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰো লগতে জনসাধাৰণক এনে ধৰণৰ বিভ্ৰান্তিকৰ আৰু অনিশ্চিত তথ্য শ্বেয়াৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

০০০০

মেঘালয়ৰ শ্বিলঙত আজি ৰাজ্যখনৰ প্ৰথমখন খেল সন্মিলন অনুষ্ঠিত হয়। ২০২৭ চনত ৰাজ্যখনত হ'বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ প্ৰস্তুতিৰ অংশ হিচাপে আয়োজিত এই সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কয় যে ৰাজ্যখনৰ দৃষ্টিভংগী ক্ৰীড়া মহোৎসৱৰ

আয়োজনতে সীমাবদ্ধ নহয়, বৰং ৰাজ্যখনে তৃণমূল পৰ্যায়ৰ প্ৰতিভাৰ চিনাক্তকৰণ আৰু বিকাশৰ বাবে শক্তিশালী ক্ৰীড়া ব্যৱস্থা গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰি আহিছে। অনুষ্ঠানত ভাগ লৈ ৰাজ্যখনৰ খেল মন্ত্ৰী ৰাইলাডমিকি শিলাই কয় যে এই সন্মিলনে খেল প্ৰশাসন, উদ্ভাৱন আৰু খেলুৱৈৰ বিকাশত সহায় কৰিব। অনুষ্ঠানত ছটা শিতানত লাভ কৰা সাফল্যৰ স্বীকৃতিস্বৰূপে ১৫গৰাকী খেলুৱৈক নগদ পুৰস্কাৰেৰে সন্মানিত কৰা হয়।

০০০০

ইৰাণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে যুদ্ধৰ অৱসান ঘটোৱাৰ চুক্তিৰ অংশ হিচাপে ইজৰাইলে লেবাননৰ পৰা পিচ হুহকি যাব লাগিব বুলি প্ৰকাশ কৰিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ্ অৰাঘছিয়ে আজি কয় যে ইজৰাইলে এতিয়াও লেবাননৰ দক্ষিণ প্ৰান্ত দখল কৰি আছে আৰু ইয়াৰ ফলত আমেৰিকা আৰু ইৰাণৰ মাজত চূড়ান্ত হোৱা বুজাবুজিৰ চুক্তি উলংঘা কৰা হৈছে। অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰই লেবানন চূড়ান্ত চুক্তিৰ অংশ হয় নে নহয় এতিয়ালৈকে স্পষ্ট কৰা নাই।

ইপিনে, ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কালি চুক্তিখনক আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সিদ্ধান্ত বুলি অভিহিত কৰে। তেওঁ কয় যে ইজৰাইলৰ নিজস্ব অগ্ৰাধিকাৰ আছে আৰু দেশখন প্ৰয়োজন অনুভৱ হোৱালৈকে লেবাননৰ সংৰক্ষিত এলেকাৰ পৰা আঁতৰি নাহে।

০০০০

ভাৰতীয় ঔষধ আৰু হোমিওপেথিৰ ঔষধ কোষ আয়োগে আজিৰে পৰা চীনত অনুষ্ঠিত পঞ্চাম বিশ্ব স্বাস্থ্য সংস্থাৰ আন্তঃৰাষ্ট্ৰীয় বনৌষধ ঔষধ কোষৰ বিশেষজ্ঞ সন্মিলনত অংশগ্ৰহণ কৰিছে। আয়ুষ মন্ত্ৰালয়ে জানিবলৈ দিছে যে বনৌষধৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থাৰ সদস্য-ৰাষ্ট্ৰৰ মাজত আন্তঃৰাষ্ট্ৰীয় মানৰ উল্লেখযোগ্য বিশেষজ্ঞসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে এই সন্মিলনত সক্ৰিয় অংশগ্ৰহণে পৰম্পৰাগত আৰু বনৌষধৰ ক্ষেত্ৰত বৰ্ধিত নেতৃত্ব আৰু গোলকীয় স্বাস্থ্য খণ্ডত ভাৰতৰ সবল উপস্থিতি প্ৰতিফলিত কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে পৰম্পৰাগত ভাৰতীয় ঔষধৰ সৈতে আন্তঃৰাষ্ট্ৰীয় স্তৰত বনৌষধৰ মান, সুৰক্ষা আৰু বিশুদ্ধতাৰ সামঞ্জস্যৰ ক্ষেত্ৰত এই সন্মিলনত অংশগ্ৰহণ ভাৰতৰ বাবে উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ জাৰ্চিত হ'বলগীয়া গ্ৰুপ-আইৰ এখন খেলত দুবাৰৰ চেম্পিয়ন ফ্ৰান্স ছেনেগালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। ইপিনে, পুৱতি নিশা চাৰে তিনি বজাত বষ্টন ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-আইৰ আন এখন খেলত ইৰাক নৰৱেৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই অমীমাংসিতভাৱে সমাপ্ত হয়। মিয়ামিত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে আৰু চৌদি আৰবৰ মাজৰ গ্ৰুপ-এইচৰ খেলখন ১-১ গ'লত ড্ৰ হয়। প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডে আৰু স্পেইনৰ মাজৰ গ্ৰুপ-এইচৰ আনখন খেলো গ'লশূন্যভাৱে সমাপ্ত হয়। একেদৰে বেলজিয়াম আৰু ইজিপ্তৰ মাজৰ গ্ৰুপ-জিৰ খেলখনো ১-১ গ'লত অমীমাংসিতভাৱে সমাপ্ত হয়।

আজি পুৱা অনুষ্ঠিত এই গ্ৰুপৰ ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'লত ড্ৰ হয়।

০০০০

সমাপ্ত